# প্ৰস্তুতি

“কলিতা, পঞ্চাছটামান টকা ধাৰ দিব পাৰে?”

“পঞ্চাছ? পঞ্চাছ টকাতো এতিয়া—এ, আপুনি পৰহি মানেও কোৱা হ’লে—”

অলপ আচৰিত হৈ ৰমেন কলিতাই অশ্বিনী বৰুৱাৰ পিনে চালে ঃ বহু মানুহে তেওঁৰপৰা টকা ধাৰ খোজে, কিন্তু বৰুৱাই ধাৰ খোজা আজি এই প্ৰথম।

অশ্বিনী বৰুৱাই ৰমেন কলিতাৰ পিনে প্ৰশ্নসূচকভাৱে চাই ৰ’ল, গতিকে তেওঁ কথাটো ব্যাখ্যা কৰি দিলে ঃ “পৰহিলৈকে হাতত টকা যথেষ্টই আছিল, আঢ়ৈশৰো ওপৰ হ’ব। পিছে সেই দিনাই ভট্টই ৰিমাইণ্ড কৰি দিলে যে দুটা প্ৰিমিয়াম বাকী আছে, দি দিলোঁ। ভতিজাটোৰ মেছ-ডিউজ লাগে—সি চিঠি এখন দিছিলে—ভাবিলোঁ হাতত টকা থাকোঁতেই কিছু পঠিয়াই দিওঁ; তাৰপাছত আমাৰ তেওঁ জোতা এযোৰ কিনিম-কিনিমকৈ আছিল—আগৰ যোৰ বোলে আৰু ভদ্ৰসমাজত নিব নোৱৰা অৱস্থা হৈছে—আজিকালি জোতাৰো যি দাম দেখিলোঁ, বাপ্‌ৰে! তাৰপাছত—”

হঠাতে এটা মিচিকি হাঁহি মাৰি অশ্বিনী বৰুৱাই ট্ৰেফিক পুলিচৰদৰে হাত এখন দাঙি ক’লে, “হল্ট্!” তাৰপাছত চকীৰপৰা উঠিল, “হ’ব দিয়ক। বুজিছোঁ। এবাউট্ টাৰ্ন্‌হে কৰোঁ আৰু ”, ঘূৰিবৰ উপক্ৰম কৰিলে, “আৰু—ফৰৱাৰ্ড মাৰ্চ্। নে’ক্স্‌ট্ ষ্টেপ্—আমাৰ দ্বিজেন ভট্ট। আপোনাৰ তাতে প্ৰথম ট্ৰাই এটা দি চালোঁ আৰু ড’ন্ট্ মাইণ্ড্ দেই—”

“হে-হে-হে”, ৰমেন কলিতা ব্যস্ত হৈ উঠিল, “ৰ’ব, ৰ’ব, ক’ত মাৰ্চ কৰে, বহক, বহক। হেঃ, মই মাইণ্ড্ কৰিম, কি, মোৰহে বেয়া লাগিছে, কিমানদিনৰ মূৰত আহিল, এইখিনিও হে’ল্প্ কৰিব নোৱাৰিলোঁ, ধেৎ, আপুনিহে একো মাইণ্ড্ নকৰিব। ৰ’ব, পিছে আপুনি মোকতো কথা শেষ কৰিবই নিদিলে, কৈছিলোঁ কি, বোধহয় পোন্ধৰ-বিছমান দিব পাৰিম নেকি, যদি আপোনাৰ কামত আহে—”

“পোন্ধৰ-বিছ? গুড্, গুড্। হ’ব দিয়ক। কি যে কথা এটা আছে, বিন্দু-বিন্দু জলবিন্দু লগ লাগিয়েইতো মহাসাগৰ—ভট্টৰ তাতো এটা ট্ৰাই দিওঁ—”

“অ, ভট্টৰ তাত পাব পাৰে। তেওঁতো সদায় ছল্‌ভেন্ট। যাঃ, এনে নো হ’ব লাগে নে, আপুনিও আহি ওলাল এই মাহৰ শেষতহে। আজিতো আপোনাৰ—”, ৰমেন কলিতাই কেলেণ্ডাৰখনৰ পিনে চালে।

“আঠাইছ তাৰিখ”, অশ্বিনী বৰুৱাই হাঁহি এটা মাৰি ক’লে, “এক তাৰিখলৈ আৰু তিনিটা ধুনীয়া দিন।”

“অ”, অলপ কুণ্ঠিতভাৱে ৰমেন কলিতাই ক’লে, “কালি আকৌ ৰবিবাৰ—আচ্ছা, আপোনাৰ খুব আৰ্জেন্ট নেকি? সোমবাৰে হ’লে হ’ব নে? মানে, মোৰ বেঙ্কত কিবা এটা বেলেন্স্ থাকিব পাৰে—ম’ষ্ট্ আন্‌লাইক্‌লি যদিও, অ’ভাৰড্ৰাফ্‌ট্ থকাৰহে সম্ভাৱনা বেছি—”

“নাই, থেংক্ ইউ, বেঙ্কত মোৰো কিবা এটা থাকিব লাগে, পিছে আজি ৰাতিহে মোক টকাটো লাগিছিল। ভাল লেঠা এটা হ’ল,—হাঃ-হাঃ, বাৰু পিছত—” (জানিবলৈ ৰমেন কলিতাৰ কৌতূহল হ’ল, কিন্তু পিছত ক’ব বুলি কৈছে যেতিয়া, একো নুসুধিলে) “আচ্ছা, দেখা যাক ক’ত কি সুবিধা হয়। বেয়া নাপাব দেই—আচ্ছা, যাওঁ—”

“এই, ৰ’ব, ৰ’ব, ক’ত যায়? বহক, বহক, বহকচোন অলপ, চাহ একাপতো অন্ততঃ—”

“অ’, আচ্ছা, ঠিক আছে—”

অশ্বিনী বৰুৱা আকৌ বহিল লাইটটোৰ তলত, ৰমেন কলিতাই ফেন্‌খন এক ঘাত বঢ়াই দি চিগাৰেটৰ পেকেট এটা খুলি আগুৱাই দিলে, আৰু অশ্বিনী বৰুৱাৰ মুখৰ চিগাৰেটডাল জ্বলাই দি নিজেও একমুখ ধোঁৱা এৰি ধোঁৱাৰ মাজেৰে অশ্বিনী বৰুৱাৰ পিনে অলপ বিবুদ্ধিৰ দৰে চালে। খুব সাৰ্বজনীন পৰিস্থিতি, কিন্তু এইটো তেওঁ আশা কৰা নাছিল। অফিচৰ সকলোৰে ভিতৰত অশ্বিনী বৰুৱায়েই আজিলৈকে কাৰোপৰা টকা ধাৰ কৰি পোৱা নাই; হিচাপী, মিতব্যয়ী মানুহ, সকলোকে তেওঁ টকা ধাৰে দিয়েহে, তাগিদাও নিদিয়ে কেতিয়াও কাকো। তেওঁৰ জোতাযোৰ চিকচিক কৰিছে (মুখ চাব পাৰি), লাইটটোৰ তলত তেওঁৰ পৰিষ্কাৰ ইস্ত্ৰি নভগা কাপোৰৰ বগা শ্বাৰ্ট ঝক্‌ঝক্ কৰিছে,

পৰিপুষ্ট নিৰুদ্বেগ হাঁহিমুখ, অফিচত অকস্মাৎ একোটা অভাবনীয় হাস্যৰস কৰি হাঁহিৰ জোৱাৰ তুলি দিয়ে। কাৰোপৰা এটা চিগাৰেটো খুজি খোৱাৰ দৰ্কাৰ হোৱা নাই তেওঁৰ আজিলৈকে। তেওঁৰ আকৌ আজি কি সংকট উপস্থিত হ'ল এই সন্ধিয়াখন—

মানুহক বোধহয় যেনে দেখা যায় তেনে বুলি স্থিৰ সীদ্ধান্ত কৰি থাকিব নালাগে কেতিয়াও, ৰমেন কলিতাই ভাবিলে। "অ', হেৰা, আমাৰ বৰুৱা আহিছে—", ভিতৰলৈ চাই তেওঁ ক'লে, আৰু হাতত তামোলৰ বটাটো লৈ সলজ্জ হাঁহিৰে কলিতানী সোমাই অহাৰ লগে-লগে সপ্ৰতিভ মিলিটাৰী কেডেটৰদৰে খটপ্‌কৈ থিয় দি উঠি অশ্বিনী বৰুৱাই নমস্কাৰ কৰিলে, কাণৰপৰা কাণলৈ তেওঁৰ মুখত হাঁহি বিৰিঙি গ'ল ঃ "ভাল আপোনাৰ? সেই কঁকালৰ বিষটো ভাল পাইছে এতিয়া? তেতিয়াতকৈ পিছে আপোনাৰ হে'ল্‌থ্ বহুখিনি ইমপ্ৰুভ্ কৰিছে দেই (কলিতানীয়ে পুনৰ সলজ্জ হাঁহিলে)—অ' এইজনী মামণি নেকি? চাওঁ-চাওঁ ভণ্টি, মাৰ পিছ পিনে লুকাইছা কিয়, বাঃ ইমান লাজ নে, আহাচোন আহা মইহে, জিম্‌লিৰ পাপা—অ, বেচ, এইহে ভাল ছোৱালী, বাঃ ইমান ডাঙৰজনী হৈ গ'লা ইতিমধ্যে, বেচ, বেচ, মই আকৌ যেতিয়া আহিম ইম্মানখিনি হৈ যাব লাগিব দেই (হাতেৰে এটা উচ্চতা দেখুৱালে)—নোৱাৰিবা? এঃ কিয় নোৱাৰিবা? কি হৈছে? ভাতেই নাখায়? অ, ইহঁতৰ কেতিয়া যে ভোক লাগে, কেতিয়া যে নালাগে—হয়, সৰু ল'ৰা-ছোৱালীক ৰেগুলাৰ্‌লি খুওৱা বৰ দিগ্‌দাৰ, আমাৰ ইহঁত দুটাক লৈতো মিনু হাৰাশাস্তি—ভাইটি ক'ত? অ', খেলি অহাই নাই এতিয়াও?"

"তেওঁলোকক লৈ আহিবচোন এদিন—", কলিতানীয়ে ক'লে।

"অ, মিনুৱেও আহোঁ-আহোঁ কৰিয়েই থাকে, মইহে দহটা লেঠাত লৈ আহিব পৰা নাই আজিলৈকে। দোষ মোৰেই। যিহওক, এইবাৰ এদিন যেনে-তেনে—"

"হেৰা, বৰুৱাক চাহ-টাহকে এটুপি—"

"অ, আনিছোঁ—ভাল, কথা হওক দেই—"

কলিতানী আৰু মামণি যোৱাৰ পাছত ৰমেন কলিতাই ক'লে, "আজি আকৌ শনিবাৰ, ভট্টক বা আকৌ পায় নে নাপায়—শনিবাৰে তেওঁ গধূলি ফ্লাশ্ খেলিব যায়, জানে নহয়—অ, ভট্টৰ কথা ওলাওঁতে মনত পৰিল, যোৱা দুটা প্ৰিমিয়াম্ লে'ট্‌তো হৈছিলেই, আপোনাৰ দৰ্কাৰ বুলি পৰহি জনাহেঁতেন নহয় বন্ধই ৰাখিলোঁহেঁতেন, একেলগে নে'ক্সট্‌টোৰ লগত অহা মাহৰ পে' পালেই দি দিব পৰা গ'লহেঁতেন—কিনো আৰু, আঠ অনা পইছা ফাইন্ হ'লহেঁতেন, সেইহে আৰু—যাক, বাই দি ৱে, ভট্টৰ তালৈ ওলাইছে হয়, কিন্তু তেওঁ আকৌ ইন্সিঅ'ৰ্ কৰাৰ কথা ক'ব, চাব।"

ভট্ট বীমাৰো এজেন্ট। অশ্বিনী বৰুৱাই জোৰে-জোৰে হাঁহিলে ঃ "নাই, নাই, ভট্টই আজিকালি সেই চেষ্টা বাদ দিছে, বুজি পাইছে, ইউ কান্ট্ গে'ট্ ব্লাড্ আউট্ অফ্ ষ্ট'ন্—"

"কিন্তু আপুনিতো সঁচাকৈয়ে ষ্ট'ন্ নহয়, আপোনাৰ বহুত ব্লাড্ আছে।"

"অ' ব্লাডে ভৰ্তি। মই এটা ব্লাডি ফে'ল', হেঃ-হেঃ-হেঃ—"

"ধেৎ, সেই ছে'ন্সত কোৱা নাই—কিন্তু হয় দেই, আপুনিও ইন্সিঅ'ৰ্ এটা কৰি পেলাবই পাৰে, ভট্ট আমাৰ কলীগ্, এটা ছাইড্ বিজিনেছ্ কৰিছে, গতিকে আমি অফিচৰ চবে তেওঁৰ তাতেই ইন্সিঅ'ৰে'ন্স্ কৰিছোঁ, কৰিলে আপুনিও অৱশ্যেই তেওঁৰ তাতেই কৰিব। আৰু, আপোনাকতো আৰু বুজাব নালাগে কিয় ইন্সিঅ'ৰে'ন্স কৰিব লাগে, ফেমিলি থকা মানুহ, ল'ৰা-ছোৱালী ডাঙৰ হ'ব ধৰিছে, আমাৰ তো আজিলৈকে পেন্‌শ্যন্, গ্ৰেটুইটি একোৰে কোনো ফিক্সেশ্যন্ নহ'ল", অভ্যাসবশতঃ কলিতাৰ কথা অন্যপিনে গুচি গ'ল, "আৰু বা এনেকৈ আৰু কেই বছৰ ঘূৰায়, যোৱা এপ্ৰিলতেই আমি এছচিয়েশ্যনৰ তৰফৰপৰা ডেপুটি ছেক্ৰেটাৰীক যিখন মে'মৰে'ণ্ডাম্ দিছিলোঁ, তাৰোতো কোনো—", হঠাৎ কলিতাই গম পালে যে তেওঁ ফালৰি কাটি গৈছে, এইবোৰ আলোচনা অফিচতহে চলে, ঘৰত নহয়, "অ, কি কৈছিলোঁ—আপোনাৰ মোৰ ল'ৰা ডাঙৰ হ'ব ধৰিছে, সিহঁতৰ এডুকে'শ্যনৰ খৰচ আছে, ছোৱালী ডাঙৰ হ'ব ধৰিছে, সিহঁতৰ বিয়া দিয়াৰ সমস্যা আছে, ইন্সিঅ'ৰে'ন্স্ এটা—ছে', ফিফ্‌টিন্ ইয়াৰ পলিচি এটা—অৱশ্যে, ভট্টই নিশ্চয় আপোনাক ইন্ ডিটেইল্‌ছ চব বুজাই কৈছেই, তাৰপাছত, সকলোতকৈ ডাঙৰ কথা, ধৰকচোন—ঈশ্বৰে নকৰক—আজি বাদে কালি যদি আপোনাৰ ভাল-বেয়া কিবা এটা হয়—"

হঠাৎ সোঁহাতৰ তলুৱাখন কলিতাৰ চকুৰ আগত দাঙি ধৰি অশ্বিনী বৰুৱাই ক'লে, "মোৰ লাইফ্-লাইন্‌ডাল দীঘল আছে—"

"কি? অ'—" ৰমেন কলিতা অলপ অনিশ্চয় হৈ পৰিল, কি ক'ব তৎক্ষণাৎ ভাবি নাপালে।

"তাৰ উপৰি", হাঁহি এটা মাৰি অশ্বিনী বৰুৱাই ক'লে, "প্ৰভিজন্‌তো মই একেবাৰে নকৰাও নহয়, প্ৰভিডে'ন্ট্ ফাণ্ডত টকা থওঁ মাহে-মাহে, সিদিনা প'ষ্ট্ অফিচত কিউমুলে'টিভ্ টাইম ডিপ'জিট এটাও খুলিছোঁ, মীনুৰ নামত শ্বেয়াৰ কেইটামানো লৈ থৈছোঁ—"

“অ’, শ্বেয়াৰ্ কিনিছে? ক’ৰ?”

“চাহ বাগানৰ। কিয়, ইন্টাৰেষ্টেড্?”

“অ”, অলপ অনিশ্চয়ভাৱে ৰমেন কলিতাই ক’লে, “অ, দুটামান শ্বেয়াৰ্ ক’ৰবাত ল’ব পাৰিলেতো ভালেই বোধহয়—এই ধৰক ডাঙৰ কোনো কেমিকেল্‌চৰ কোম্পানী, বা আপোনাৰ কিবা টেক্সটাইল গ্ৰুপৰ—”

“অ, টী গাৰ্ডেনৰ শ্বেয়াৰ্ অৱশ্যে ময়েই আপোনাক লোৱাই দিব পাৰিম—বেচ, সোমবাৰে অফিচলৈ মই ৰিলিভেন্ট্ পেপাৰ্ছখিনি লৈ যাম—”

“অ’, নিব নেকি? বৰ ভাল হয়...তবু, মই আকৌ ক’ম, ইন্সিঅ’ৰে’ন্সৰদৰে একো হ’ব নোৱাৰে। আপুনি আকৌ এবাৰ ভাবি চাওক।”

“নহয়, বুজিছে, ইন্সিঅ’ৰে’ন্সৰ টকা দৰ্কাৰৰ সময়ত উলিওৱা বৰ ঝামেলা, নিজৰ আৰ্জনৰ টকা, জমা হৈ আছে, অথচ লগাৰ সময়ত হাতত নাপায়, এইটো এটা অসহ্য কথা। হোৱেৰেজ্, প্ৰভিডে’ন্ট্ ফাণ্ডৰ টকা আপুনি যেতিয়াই লাগে ড্ৰ কৰিব পাৰে, অৰ্ডাৰটো আহোঁতে তিনিদিনৰ বেছিতো লগা নাই আজিলৈকে। ভট্টই কৈ থাকে, ইন্সিঅ’ৰ কৰিলে প্ৰিমিয়ামৰ টকাৰ ছিক্স্‌টী পাৰ্চেন্ট ইন্‌কাম টেক্সৰপৰা ৰেহাই পাম—সেইটো হয়, কিন্তু প্ৰভিডে’ন্ট ফাণ্ডৰোতো ছিক্স্‌টী পাৰ্চেন্ট মই ৰেহাই পাওঁ টেক্সৰপৰা, গতিকে কথাটো একেই হ’ল।”

“হয়, কিন্তু ইন্সিঅ’ৰ্ কৰিলে যে আপনাৰ লাইফৰ ৰিস্ক্‌টোও কাভাৰ্ড হ’ল, যদি হঠাৎ আপোনাৰ কিবা এটা হ’ব লাগিল—বুজিলোঁ, আপোনাৰ আয়ুৰেখাডাল দীঘল, কিন্তু বহুত অন্যৰকম কথাওতো আছে।”

“যেনে? অ, অ, আছে অৱশ্যে”, অশ্বিনী বৰুৱাই স্বীকাৰ কৰিলে, “এক্সিডেন্ট হ’ব পাৰে কিবা, হয়তো হাত দুখন ভাঙি বাকী জীৱন বিছনাত পৰি থাকিবলগীয়া হ’ল—আঃ, সেইৰকম কিবা যদি হয়েই—”

“অ, তৰ্কৰ খাতিৰত ধৰিলোঁ, তেনেকুৱা কিবা এটা, তেতিয়া—?” অশ্বিনী বৰুৱাই সোঁহাতৰ তৰ্জনীটো ওপৰৰ পিনে টোঁৱালে আৰু হাঁহি ক’লে, “তেৰাই চাব।”

“অ’, তেৰাই? হু। কিন্তু নিয়মটো কি, জানে? নিয়মটো এই ঃ আপুনি যদি নিজে কিবা চেষ্টা-চৰিত্ৰ কৰে, তেৰাইও লাগি-ভাগি সহায় কৰি দিব। কিন্তু আপুনি যদি একো নকৰি বহি থাকে, তেৰাইও একো নকৰে, বাচ্।”

“অ’, নিয়মটো সেইটো নেকি? বেচ্ তো, হাঃ-হাঃ-হাঃ—যাক, মইও তেনেহ’লে নিয়মটোৰ ভিতৰতেই আছোঁ, খালি লাইফ্ ইন্সিঅ’ৰেন্স্ হে কৰা নাই—তাৰ কাৰণ আছে, ভেলিড্ কাৰণ—বাকী চবতো কৰিছোঁৱেই, জি-পি-এফ্ খুলিছোঁ, চি-পি-ডি খুলিছোঁ, ঘৰটো কম্প্লিট্ হ’লে ভাৰা দিম, শ্বেয়াৰ্ কিনিছোঁ—চাওক কলিতা, ইমান নিয়ম-চিয়ম ভাবি মৰিব নোৱাৰি, এটা মাত্ৰ লাইফ্, কেইদিনেই বা বাচিম, ইমান ভৱিষ্যতৰ কথা ভাবি থাকিব পাৰিনে—লাইফ-লাইনে কৈছে বহুত দিন বাচিম, বাচ্, এনাফ্। সাবধানে চলোঁ, হিচাপী মানুহ মই, হুচিয়াৰ মানুহ, ডিজেলট্ৰাকৰ তো কথাই নাই, গৰুগাড়ী আহিছে নে নাই চাইহে ৰাস্তা পাৰ হওঁ, গতিকে ড্ৰামাটিক এক্সিডেন্ট্ কিবা যে আছে ভাগ্যত, মনে নধৰে। ৰেগুলাৰ্ লাইফ্, নিয়মমতে ঠিক সময়ত খাওঁ, শোওঁ, বাহী বস্তু নাখাওঁ, অত্যধিক মদ খাই লিভাৰ্ নষ্ট নকৰোঁ, চিগাৰেটডাল খাওঁ, তাকো ৰাতি খোৱাৰ পাছত কেতিয়াও নাখাওঁ, মোৰ হাৰ্ট-কেন্সাৰ, লাং-কেন্সাৰ, ব্লাড্-কেন্সাৰ কিবা হ’ব পাৰে বুলি ভাবেনে কেতিয়াবা? নট্ এ’ ছান্স্ কলিতা, নট্ এ’ ছান্স্!”

অশ্বিনী বৰুৱাই তেওঁৰ চিগাৰেটডাল ছাঁইদানীত নুমাই থ’লে। ৰমেন কলিতাই তেওঁৰ চিগাৰেটডালৰ শেষ টুকুৰাটো দুই আঙুলিৰ মাজত ধৰি অশ্বিনী বৰুৱাৰ মুখলৈ চিন্তান্বিতভাৱে চাই ৰ’ল। ঠিকেই, বৰুৱাৰ কেন্সাৰ হ’ব বুলি কল্পনা কৰিব নোৱাৰি। সঁচাকৈয়ে হুচিয়াৰ মানুহ (তেওঁ নিজে কোৱাৰদৰে), কোনো বাজে খৰচ নকৰে, হিচাপী মানুহ। ভাবিব নোৱাৰি যে এইজন মানুহ কোনো সংকটত জড়িত হৈ খীণাই-শুকাই যাব, কোনো সাংঘাতিক দুৰ্ঘটনাত পঙ্গু হৈ পৰি থাকিব (অৱশ্যে এক্সিডেন্ট ইজ এক্সিডেন্ট, তবুও!) আয়ুৰেখা হয়তো সঁচাকৈয়ে সুদীৰ্ঘ, লাইটৰ পোহৰত সুপুষ্ট তেজৰঙা মুখ, সঁচাকৈয়ে এজন “ব্লাডি” মানুহ (এটা অৰ্থত), চুলি সমুখত সামান্য দুই-এডাল যাব আৰম্ভ কৰিছে, কিন্তু এতিয়াও ঘন, কিচ্-কিচ্ ক’লা, দাঁত এটাও বেয়া হোৱা নাই, ঝলমল হাঁহি—অ, তেওঁ ইমান ভাবি থাকিব নোৱাৰে, কেইদিনেই বা পৃথিৱীত থাকিব, স্ফূৰ্তিত আছে—অফিচৰ ডেকা এছিষ্টেণ্ট্ সঞ্জীৱ কাকতি, ল’ৰাটো সদায় আমন-জিমনকৈ মূৰ গুজি কাম কৰি থাকে, সঞ্জীৱ কাকতিৰ পিঠিত এদিন অশ্বিনী বৰুৱাই প্ৰচণ্ড এটা থাপ্পৰ মাৰি দি কৈছে, “কি হে ব্ৰাডাৰ, ইমান বিষণ্ণ বদন কিহৰ? প্ৰেমে-চেমে পৰিছা নেকি, হাঃ-হাঃ-হাঃ। আমাক চোৱা, আমাক চোৱা, আমাৰ কিমান প্ৰব্লেম্, ফেমিলিৰ লেঠা, তবু কি স্ফূৰ্তিত আছোঁ! ডেকা ল’ৰা, বেছেলৰ্ মানুহ, এ’ন্‌জয় কৰি লোৱা, এ’ন্‌জয় কৰি লোৱা, সময় যাবই, আৰু কেইদিন! আমি হ’ব লাগিছিলো তোমালোকৰদৰে ইয়ং বেছেলৰ্—আ, বেছেলৰ্ হৈতো আছিলোঁৱেই পঘা ছিঙা গৰুৰদৰে মহানন্দে অনাই-বনাই, মাইহে লগালে লেঠা শেষ পৰ্যন্ত, বিয়া কৰ, বিয়া কৰ, মৰাৰ আগেয়ে বোৱাৰীজনীৰ মুখখন চাই যাব দে—মা বুঢ়ী হৈছিলতো, তাতে বিধবা মানুহ—‘মৰাৰ আগেয়ে মোৰ এই বাসনাটো পূৰা বোপাই—’, যেনেকুৱাহে কৰিব ধৰিলে, কি আৰু কৰা যায়, ট্ৰেডিশ্যন্ ইজ্ ট্ৰেডিশ্যন্, শেষ হৈ গ’ল দাং-বৰলা জীৱন—”

দাং বৰলা জীৱন শেষ হৈ গৈ তেওঁৰ যে কিবা অপকাৰ হৈছে, সেইটো অৱশ্যে কোনেও ক'ব নোৱাৰে। তেওঁৰ স্ত্ৰী সুন্দৰী, তেওঁৰ নিজৰ স্বাস্থ্য আৰু ভাল হৈছে, হাঁহিটো আৰু খুলিছে; স্কুটাৰ এখন কিনিছে, স্ত্ৰী-পুত্ৰ-কন্যা স্কুটাৰখনত ঠাহ খুৱাই বহাই লৈ সশব্দে চহৰময় ঘূৰি ফুৰিছে হৈ-হৈ কৰি। অফিচত তেওঁৰ সামাজিক কাৰ্যকলাপৰ আগ্ৰহ আৰু বাঢ়িছে, প্ৰায় অকলেই আয়োজন কৰি ফুৰিছে আজি এছচিয়েশ্যন, কালি ভেৰাইটি-শ্ব', পৰহি পিক্‌নিক্—

"তথাপি", ৰমেন কলিতাই আকৌ ক'লে, "ৰিস্কটো কভাৰ্ কৰে ইন্সিঅ'ৰেন্সে, সেইটো ডাঙৰ কথা।"

"না, কষ্টৰ টকা হাতছাড়া হৈ যোৱাটোও এটা ৰিস্ক্—নিজৰ টকা পানীত পেলাব পাৰিনে তেনেকৈ?"

"বাঃ, টকা হাতছাড়া হৈ যাব কিয়? (টকা যাব পাৰে একমাত্ৰ যদি কোনোবাই ছুইছাইড্ কৰে)। পলিচিখন মেছিঅ'ৰ হ'লেইতো আপুনি টকা পাই যাব ব'নাছ্-টনাছ্ লৈ। মেছিঅ'ৰ্ যদি নহয়ও, আপুনি হঠাৎ মৰি গ'ল ধৰক, আপোনাৰ ন'মিনিয়ে—আপোনাৰ ৱাইফে বা যোনেই নহওক—লগে-লগে টকাটো পাই গ'ল। হঠাৎ যদি আপুনি ট্ৰেইন এক্সিডে'ন্টত মৰে বা আপুনি খুন হয় ক'ৰবাত—মই কথাটোহে কৈছোঁ দেই—কোনো কথা নাই, যিমান প্ৰিমিয়াম বাকী আছে থাকক, পূৰা টকাটোৱেই আপোনাৰ ন'মিনিয়ে পাই গ'ল—"

"এঃ, কলিতা, নহয় দিয়ক মোৰ এক্সিডেন্ট্—" অশ্বিনী বৰুৱাই পাতলভাৱে ক'লে। "অ, নহ'লেতো ভালেই। নে'শ্যাৰে'ল্ ডে'থ্, মানে—"

"স্বাভাৱিক মৃত্যু, ইউজুৱেল ডে'থ্", অশ্বিনী বৰুৱাই সহায় কৰি দিলে।

"অ, স্বাভাৱিক মৃত্যু, মানে আপুনি বুঢ়া হৈ মৰিল, বা কিবা বেমাৰ-আজাৰ হৈ মৰিল, মুঠতে, পলিচিৰ টকা দিয়া শেষ নহওঁতেও যদি আপোনাৰ স্বাভাৱিক মৃত্যু ঘটে—"

"সেইটো মই ক'ব নোৱাৰোঁ—", হঠাৎ অশ্বিনী বৰুৱাই কৈ পেলালে অলপ অধৈৰ্যভাৱে, আৰু লগে-লগে একমুহূৰ্ত চুপ মাৰি গ'ল, তাৰপাছত লৰালৰিকৈ ক'লে, "অঃ, চাহ আনিলেই?"

কলিতানীয়ে ট্ৰে'খন লৈ সোমাব ধৰিছিল। হতভম্ভ হৈ ৰমেন কলিতাই অশ্বিনী বৰুৱাৰ অপ্ৰস্তুত হাঁহিমুখৰ পিনে চাই ৰ'ল।